(১৯৯৭)৬ উচ্চতম ন্যায়ালয় গোচৰ ২৪১

(জে.এছ.বাৰ্মা,চি জে আৰু সুজাতা ভি মনোহৰ আৰু বি.এন.কীৰপাল,জেজেৰ সন্মুখত উত্থাপিত)

বিশাকা আৰু অন্যান্য-আবেদনকাৰী:

বনাম

ৰাজস্থান চৰকাৰ আৰু অন্যান্য-প্ৰতিবেদনকাৰী:

লেখ আবেদন (ক্ৰিমিনেল)নং ১৯৯২ৰ ৬৬৬-৭০

ৰায়দানৰ তাৰিখ: ১৩আগষ্ট,১৯৯৭

গোচৰৰ ৰায় প্ৰদান কৰে:

বাৰ্মা, চি জে. —বৰ্তমান সময়ৰ প্ৰতি লক্ষ্য ৰাখি , ভাৰতৰ সংবিধানৰ ১৪,১৯ আৰু ২১নং অনুচ্ছেদৰ অধীনত কৰ্মৰত মহিলাসকলৰ ক্ষেত্ৰত মৌলিক অধিকাৰ বলৱৎ কৰাৰ বাবে এই লেখ আৱেদন খন দাখিল কৰা হৈছে , কিয়নো সাম্প্ৰতিক সময়ত এই অধিকাৰসমূহৰ উলংঘন হোৱাটো অস্বাভাৱিক কথা নহয়। বৰ্ধিত সজাগতা আৰু লিংগ সমতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ লগতে এনে উলংঘন ৰক্ষা কৰাৰ প্ৰচেষ্টা বৃদ্ধি পাইছে আৰু যৌন নিৰ্যাতনৰ ঘটনাৰ প্ৰতি বিৰূপ প্ৰতিক্ৰিয়াও বৃদ্ধি হ'বলৈ ধৰিছে। বৰ্তমানৰ আ বেদনখন কিছুমান সমাজ কৰ্মী আৰু বেচৰকাৰী সংগঠনৰ দ্বাৰা সমূহীয়াভাৱে দাখিল কৰা হৈছে যাৰ উদ্দেশ্য হৈছে এই সামাজিক বিভ্ৰান্তিৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰা, আৰু 'লিংগ সমতা'ৰ প্ৰকৃত ধাৰণাটো উপলব্ধি কৰাৰ বাবে উপযুক্ত পদ্ধতি বিচাৰি উলিওৱাত সহায় কৰা আৰু ন্যায়িক প্ৰক্ৰিয়াৰ জৰিয়তে সকলো কৰ্মৰত মহিলাই কৰ্মস্থানত সন্মুখীন হোৱা যৌন নিৰ্যাতন ৰোধ কৰা আৰু বৰ্তমানৰ আইনখনত থকা ত্ৰুটিসমূহ নোহোৱা কৰা।

২. ৰাজস্থানৰ এখন গাঁৱত এগৰাকী সমাজকৰ্মীক নিৰ্মমভাৱে দলবদ্ধ ধৰ্ষণ কৰাৰ ঘটনাটোৱেই হৈছে এই লেখ আবেদন দাখিলৰ প্ৰধান কাৰণ। সেই ঘটনাটোৱেই এটা পৃথক অপৰাধমূলক পদক্ষেপৰ বিষয়বস্তু আৰু ইয়াৰ বাহিৰে আন কোনো উল্লেখৰ প্ৰয়োজন নাই।ঘটনাটোৱে এগৰাকী কৰ্মৰত মহিলা ই সন্মুখীন হ'ব পৰা বিপদ আৰু যৌন উৎপীড়নৰ ফলত হোৱা দুৰ্নীতিৰ বিষয়ে প্ৰকাশ কৰে আৰু আইনী ব্যৱস্থাৰ অনুপস্থিতিত এক বিকল্প ব্যৱস্থাৰ দ্বাৰা সুৰক্ষা প্ৰদান কৰাৰ প্ৰয়োজনীয়তাৰ কথা প্ৰকাশ কৰে। আইনী ব্যৱস্থাৰ অনুপস্থিতিত , এই জৰুৰী সামাজিক প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে এক কাৰ্যকৰী বিকল্প পদ্ধতি বিচাৰি উলিওৱাৰ প্ৰয়োজন।

৩. এনে প্ৰতিটো ঘটনা ই 'লিংগ সমতা' আৰু 'জীৱন আৰু স্বাধীনতাৰ অধিকাৰ' লগত জড়িত মৌলিক অধিকাৰ ক উলংঘা কৰে।এনে ঘটনাই সংবিধানৰ ১৪, ১৫ আৰু ২১ অনুচ্ছেদৰ অধীনত প্ৰদান কৰা অধিকাৰক স্পষ্টভাৱে উলংঘা কৰে। এনে কাণ্ডৰ এটা যুক্তিসংগত পৰিণতি হ'ল ১৯(১)(ছ) অনুচ্ছেদৰ অধীনত লাভ কৰা ভুক্তভোগীৰ মৌলিক অধিকাৰৰ উলংঘন য'ত 'যিকোনো বৃত্তিত নিয়োজিত হ'বলৈ বা যিকোনো বৃত্তি, বাণিজ্য বা ব্যৱসায় কৰাৰ' বাবে প্ৰদান কৰা অধিকাৰৰ কথা উল্লেখ কৰা হৈছে। গতিকে এনে উলংঘাই মহিলাৰ এই মৌলিক অধিকাৰসমূহ বলবৎ কৰাৰ বাবে ৩২ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা প্ৰতিকাৰ সমূহৰ প্ৰসংগ টানি আনে। এই কাৰণেই সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত এই সমূহীয়া পদক্ষেপটো গ্ৰহণ কৰা হৈছে। এনে পৰিস্থিতিত এখন পৰমাদেশ কাৰ্যকৰী হ'বলৈ হ'লে প্ৰতিৰোধমূলক নিৰ্দেশনাক সাঙুৰি ল'ব লাগিব কিয়নো এই ধৰণৰ মৌলিক অধিকাৰৰ উলংঘন হোৱাটো এটা পুনৰাবৃত্তিমূলক ঘটনা। যিকোনো জীৱিকা, বাণিজ্য বা বৃত্তি বাছি লোৱাৰ যি মৌলিক অধিকাৰ, সেই অধিকাৰ এখন "সুৰক্ষিত" কৰ্মস্হলীৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰ কৰে। জীৱনৰ অধিকাৰ মানে হৈছে সন্মানৰ সৈতে জীৱন যাপন কৰা। উপযুক্ত আইনৰ জৰিয়তে এনে সুৰক্ষা আৰু মৰ্যাদা নিশ্চিত কৰা , আৰু এই আইন প্ৰৱৰ্তনৰ ব্যৱস্হা কৰাৰ প্ৰাথমিক দায়িত্ব ন্যায়পালিকা আৰু কাৰ্যবাহীৰ হাতত থাকে । অৱশ্যে, যেতিয়া কৰ্মৰত মহিলাসকলৰ যৌন নিৰ্যাতনৰ ফলত অনুচ্ছেদ ১৪,১৯ আৰু ২১ৰ অধীনত প্ৰদান কৰা মৌলিক অধিকাৰ উলংঘন হয়,আৰু অনুচ্ছেদ ৩২-ৰ অধীনত প্ৰতিকাৰ প্ৰদান কৰা বাবে আমাৰ সন্মুখত উপস্হাপন কৰা হয়, এটা ফলপ্ৰসূ প্ৰতিকাৰ প্ৰদান

কৰা ক্ষেত্ৰত এই অধিকাৰসমূহৰ সুৰক্ষাৰ বাবে কিছুমান নিৰ্দেশনা নিৰ্ধাৰণ কৰি উপযুক্ত আইনৰ অভাৱ পূৰণ কৰাটো প্ৰয়োজনীয়।

৪.এই আবেদনৰ জাননী ৰাজস্থান চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হয়। বিজ্ঞ ছলিচিটৰ জেনেৰেলে কেন্দ্ৰীয় চৰকাৰৰ হৈ উপস্থিত হৈ এজন প্ৰকৃত আইনী বিষয়াৰ দৃষ্টিভংগীৰে বহুমূলীয়া পৰামৰ্শ আগবঢ়াই এই বৃহৎ সামাজিক সমস্যাৰ সঠিক সমাধান বিচাৰি উলিওৱাত আমাক সহায় কৰে।শ্ৰীমতী মীনাক্ষী অৰোৰা আৰু শ্ৰীমতী নয়না কাপুৰ যিয়ে সম্পূৰ্ণৰূপে ন্যায়ালয়ক সহায় কৰি ছিল, তেওঁলোকৰ উপৰিও শ্ৰী ফালি এছ নৰিমন মধ্যস্হতাকাৰী হিচাপে উপস্থিত হৈছিল আৰু যথেষ্ট সহযোগিতা আগবঢ়াইছিল। আমি গোচৰটোত উপস্থিত হোৱা আৰু ন্যায়ালয়ক প্ৰয়োজনীয় সহায় আগবঢ়োৱা প্ৰতিজন পৰামৰ্শদাতাৰ শলাগ লওঁ যিয়ে আমাক এই পৃথক গোচৰটো এনে ধৰণৰ কাৰণৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা ধৰণে মোকাবিলা কৰিবলৈ সক্ষম কৰিছে।

৫.ভাৰতৰ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ বাহিৰেও আমি আন বিধান সমূহৰ কথা উল্লেখ কৰিব পাৰো য'ত এই সামাজিক ব্যাধিসমূহ নিৰ্মূলৰ বাবে ন্যায়িক হস্তক্ষেপৰ পৰিকল্পনা কৰা হৈছে। সংবিধানৰ ১৪,১৯(১)(জি) আৰু ২১ নং অনুচ্ছেদৰ উপৰিও কিছুমান বিধান যিবোৰৰ প্ৰাসংগিকতা আছে,সেইসমূহ হ'ল:

১৫ নং অনুচ্ছেদ:

"১৫) *ধৰ্ম, বৰ্ণ, জাতি,লিংগ বা জন্মস্থানগত বৈষম্য ৰোধ কৰা–*

(১) ৰাষ্ট্ৰই কোনো নাগৰিকৰ বিৰুদ্ধে কেৱল ধৰ্ম, বৰ্ণ,জাতি,লিংগ,জন্মস্থান বা ইয়াৰে কোনো এটাৰ ওপৰত ভিত্তি কৰি প্ৰভেদ আনিব নোৱাৰিব।

(২)* * * *

(৩) এই অনুচ্ছেদ অনুসৰি মহিলা আৰু শিশুৰ বাবে কোনো বিশেষ ব্যৱস্থা ক ৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰক বাধা প্ৰদান কৰিব নোৱাৰে।"

৪২ নংঅনুচ্ছেদ:

"৪২) কৰ্মৰ ক্ষেত্ৰত ন্যায্যতা আৰু মানৱীয় দৃষ্টিভংগী ৰক্ষা কৰা আৰু মাতৃত্বকালীন সকাহ প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব।- ৰাষ্ট্ৰই কৰ্মৰ ক্ষেত্ৰত ন্যায্যতা আৰু মানৱীয় দৃষ্টিভংগী ৰক্ষা কৰা লগতে মাতৃত্বকালীন সকাহৰ ব্যৱস্থা কৰিব।"

৫১-ক নং অনুচ্ছেদ:

"৫১-ক. মৌলিক কৰ্তব্য। - এইয়া হৈছে ভাৰতৰ প্ৰতিজন নাগৰিকৰ কৰ্তব্য ---

(ক) সংবিধান মানি চলা আৰু ইয়াৰ আদৰ্শ আৰু প্ৰতিষ্ঠানসমূহক সন্মান জনোৱা...

(খ)-(ঘ) * * *

(ঙ)ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক বা শাখাগত বৈচিত্ৰ্য তাক নেওচি ভাৰতৰ সকলো লোকৰ মাজত সম্প্ৰীতি আৰু উমৈহতীয়া ভাতৃত্ববোধ বৃদ্ধি কৰা ; মহিলাৰ মৰ্যাদা হানি হোৱা সকলোধৰণৰ প্ৰথা পৰিহাৰ কৰা"

৬.আমি এই ক্ষেত্ৰত প্ৰাসংগিক আন্তৰ্জাতিক স ন্ধি আৰু নিয়ম সমূহ আৰু সেইসমূহে প্ৰয়োগৰ ক্ষেত্ৰত অথবা ন্যায়িক ব্যাখ্যাত কেনেদৰে গুৰুত্ব বহন কৰে সে ইয়া উল্লেখ কৰাৰ আগতে, আমি সংবিধানৰ আন কিছুমান ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰিব পাৰোঁ যিয়ে এইসমূহৰ ব্যৱহাৰৰ অনুমতি দিয়ে। এই ব্যৱস্থাবোৰ হৈছে:

৫১ নংঅনুচ্ছেদ :

"৫১. আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা বজাই ৰখা -ৰাষ্ট্ৰই চেষ্টা কৰিব-

(ক)-(খ)* * *

(গ)সংগঠিত লোকসকলৰ মাজত আন্তৰ্জাতিক সন্ধি আৰু চুক্তিৰ প্ৰতি সন্মান বৃদ্ধি কৰা; আৰু

* * *"

২৫৩ নং অনুচ্ছেদ :

"২৫৩.আন্তৰ্জাতিক চুক্তিসমূহ কাৰ্যকৰী কৰাৰ বাবে আইন - এই অনুচ্ছেদৰ পূৰ্বৰ বিধানসমূহত আন কথা উল্লেখ থাকিলেও, সংসদে সমগ্ৰ ভাৰতৰ ভূখণ্ডৰ বাবে বা

যিকোনো অংশৰ বাবে অন্য দেশৰ সৈতে হোৱা কোনো সন্ধি,চুক্তি ৰূপায়ণৰ বাবে আৰু যিকোনো আন্তৰ্জাতিক সন্মিলন, সংঘ বা আন কোনো সংস্থাত লোৱা যিকোনো সিদ্ধান্ত ৰূপায়ণৰ বাবে আইন প্ৰণয়ন কৰিব পাৰে।"

সপ্তম সূচী:

"সূচী ১-কেন্দ্ৰীয় সূচী

xxxx xxxx

xxxx

১৪) বিদেশী দেশৰ সৈতে সন্ধি আৰু চুক্তি কৰা আৰু বিদেশী দেশৰ সৈতে কৰা সন্ধি, চুক্তিসমূহ কাৰ্যকৰী কৰা।

৭. গাৰ্হস্হ্য আইনৰ অনুপস্থিতিত, সকলো কৰ্মস্থানতে কৰ্মৰত মহিলাসকলৰ ওপৰত হোৱা যৌন নিৰ্যাতনৰ কুফল নিয়ন্ত্ৰণ কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা প্ৰস্তুত কৰাৰ বাবে , আন্তৰ্জাতিক সন্ধি আৰু নিয়মৰ বিষয়বস্তু সমূহ ১৪,১৫,১৯(১)(ছ) নং অনুচ্ছেদত থকা লিংগ সমতা ,মৰ্যাদাৰে কাম কৰাৰ অধিকাৰ ব্যাখ্যাৰ উদ্দেশ্যে আৰু ইয়াত অন্তৰ্নিহিত হৈ থকা যৌন উৎপীড়নৰ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰাৰ বাবে গুৰুত্বপূৰ্ণ। মৌলিক অধিকাৰ আৰু ইয়াৰ উদ্দেশ্যৰ সৈতে সামঞ্জস্য থকা যিকোনো আন্তৰ্জাতিক চুক্তি ইয়াৰ অৰ্থ আৰু সমল বিস্তাৰ কৰিবলৈ আৰু সাংবিধানিক নিৰাপত্তাৰ উদ্দেশ্যক প্ৰসাৰিত কৰিবলৈ এই ব্যৱস্হাসমূহৰ সৈতে উল্লেখ কৰিব পাৰি। এই অনুচ্ছেদ টো ৫১(গ)ত অন্তৰ্নিহিত হৈ আছে আৰু সংবিধানৰ সপ্তম অনুসূচীত কেন্দ্ৰীয় তালিকাৰ ১৪নং প্ৰবৃষ্টিৰ ৰ সৈতে ২৫৩ নং অনুচ্ছেদৰ দ্বাৰা আন্তৰ্জাতিক সন্ধি আৰু নিয়মাৱলীসমূহ ৰূপায়ণৰ বাবে আইন প্ৰণয়ন কৰিবলৈ সংসদক সক্ষম কৰি তোলে।৭৩ নং অনুচ্ছেদৰো এই ক্ষেত্ৰত প্ৰাসংগিকতা আছে। এই অনুচ্ছেদত উল্লেখ আছে যে কেন্দ্ৰৰ কাৰ্যবাহী ক্ষমতা সেই সমূহ বিষয়ৰ ওপৰত থাকিব যি বিষয় সন্দৰ্ভত সংসদৰ আইন প্ৰস্তুত কৰাৰ ক্ষমতা আছে। সেয়েহে ,কেন্দ্ৰৰ কাৰ্যবাহী ক্ষমতা সংসদৰ দ্বাৰা অনৈতিক দিশসমূহ নিয়ন্ত্ৰণৰ বাবে স্পষ্টভাৱে প্ৰয়োজনীয় ব্যৱস্থা প্ৰদান কৰা পৰ্যন্ত থাকে।

৮. এইদৰে ৩২ নং অনুচ্ছেদৰ অধীন ত মৌলিক অধিকাৰ আৰু কেন্দ্ৰৰ কাৰ্যবাহী ক্ষমতা বলবৎ কৰাৰ বাবে ন্যায়ালয়ে কৰ্মৰত মহিলাসকলক যৌন নিৰ্যাতনৰ পৰা

ৰক্ষা কৰা আৰু তেওঁলোকৰ মৌলিক অধিকাৰসমূহক অৰ্থপূৰ্ণ কৰি তোলাৰ দৰে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। আইনৰ বিধিৰ দ্বাৰা সমাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত এই প্ৰয়োজনীয়তাক সাংবিধানিক আঁচনিৰ এক যুক্তিসংগত অংশ হিচাপে বাধ্যতামূলক কৰে।এই গোচৰটোৰ ক্ষেত্ৰত ন্যায়ালয়ে বিজ্ঞ ছলিচিটৰ জেনেৰেল আৰু বাৰৰ আন সদস্যসকলৰ সৈতে আলোচনা কৰি গ্ৰহণ কৰা উমৈহতীয়া ধাৰণাৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত প্ৰদান কৰিছিল যিসকলে ৰাজহুৱা স্বাৰ্থ ৰ খাতিৰত এই কঠিন বিষয়টো সম্পাদনা কৰাত মূল্যৱান পৰামৰ্শ আগবঢ়াইছিল।

৯. প্ৰতিটো শুনানি গ্ৰহণ কৰাৰ অন্তত এনে কিছুমান নিৰ্দেশনাৱলী প্ৰস্তুত কৰা হয় যিসমূহত কেন্দ্ৰীয় চৰকাৰে বিজ্ঞ ছলিচিটৰ জেনেৰেলৰ জৰিয়তে সন্মতি প্ৰদান কৰে আৰু এইসমূহে সূচায় যে এই সামাজিক ব্যাধিসমূহ নিৰ্মূল কৰাৰ বাবে নিয়োগকৰ্তা তথা কৰ্মস্থানত আন সকলোৱে আচৰণ নিয়ন্ত্ৰণ কৰাৰ বাবে ন্যায়ালয়ে ঘোষণা কৰা নিৰ্দেশনা আৰু নিয়মাৱলীসমূহ উপলব্ধ থকা উচিত।

১০. লিংগ সমতাই যৌন উৎপীড়নৰ পৰা সুৰক্ষা আৰু সন্মানৰ সৈতে কাম কৰাৰ অধিকাৰক সূচায়, যি হৈছে এক সাৰ্বজনীনভাৱে স্বীকৃত মৌলিক মানৱ অধিকাৰ। এই অধিকাৰৰ নূন্যতম প্ৰয়োজনীয়তাই বিশ্বব্যাপী গ্ৰহণযোগ্যতা লাভ কৰিছে। সেয়েহে , এই উদ্দেশ্য সফল কৰাৰ বাবে নিৰ্দেশনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আন্তৰ্জাতিক সন্ধি আৰু নিয়মাৱলী যথেষ্ট গুৰুত্বপূৰ্ণ।

১১. আইনৰ অনুপস্থিতিত এই মৌলিক অধিকাৰসমূহ বলবৎ কৰাৰ বাবে সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত এই ন্যায়ালয়ৰ যি কৰ্তব্য, সেই ক্ষেত্ৰত লাৱাছিয়া অঞ্চলত বেইজিং ন্যায়পালিকাৰ স্বাধীনতাৰ নীতিৰ বিৱৰণীত পৰিকল্পনা কৰা ন্যায়পালিকাৰ ভূমিকা ও মন কৰিব লাগিব।১৯৯৫ চনত বেইজিংত এছিয়া আৰু প্ৰশান্ত মহাসাগৰৰ উপকূলীয় অঞ্চলৰ ন্যায়ালয়সমূহৰ মুখ্য ন্যায়াধীশসকলে এই নীতিসমূহ ন্যায়পালিকাৰ স্বাধীনতা আৰু সঠিকভাৱে পৰিচালনা কৰাৰ বাবে পালন কৰিবলগা নিম্নতম মানদণ্ড হিচাপে গ্ৰহণ কৰিছিল।বেইজিং বিৱৰণীত উল্লেখ কৰা ন্যায়পালিকাৰ উদ্দেশ্যবোৰ হৈছে:

"ন্যায়পালিকাৰ উদ্দেশ্যসমূহ:

১০. ন্যায়পালিকাৰ উদ্দেশ্য আৰু কাৰ্যাৱলীসমূহ তলত দিয়া ধৰণৰ:

(ক) সকলো ব্যক্তিয়ে আইনৰ অধীনত সুৰক্ষিতভাৱে জীয়াই থাকিবলৈ সক্ষম হোৱাটো নিশ্চিত কৰা;

(খ) ন্যায়িক প্ৰক্ৰিয়াৰ নিৰ্দিষ্ট সীমাৰ ভিতৰত, মানৱ অধিকাৰ পালন আৰু এই অধিকাৰ লাভ কৰাটো নিশ্চিত কৰা; আৰু

(গ) ব্যক্তিসকলৰ মাজত তথা ব্যক্তি আৰু ৰাজ্যৰ মাজত নিৰপেক্ষভাৱে আইনী নীতিসমূহ প্ৰয়োগ কৰা।"

১২. 'মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ নীতি'ত সন্নিবিষ্ট কিছুমান ব্যৱস্থাৰ বৰ্তমানৰ প্ৰেক্ষাপটত তাৎপৰ্য হ'ল:

১১ নং অনুচ্ছেদ:

"১) সমতাৰ ভিত্তিত পুৰুষ আৰু মহিলাৰ একে অধিকাৰ নিশ্চিত কৰিবলৈ নিয়োগ প্ৰদানৰ ক্ষেত্ৰত মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰ কৰাৰ বাবে ৰাজ্যিক দলসমূহে সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব:

(ক) এক অবিচ্ছেদ্য অধিকাৰ হিচাপে সকলো মানুহৰ কাম কৰাৰ অধিকাৰ;

x x x

(চ) প্ৰজনন প্ৰক্ৰিয়া সম্পৰ্কীয় সুৰক্ষাকে ধৰি স্বাস্থ্যৰ সুৰক্ষা আৰু কৰ্মস্হলীত সুৰক্ষাৰ অধিকাৰ।

২৪ নং অনুচ্ছেদ :

ৰাজ্যিক সংস্হাসমূহে বৰ্তমানৰ চুক্তিখনত স্বীকৃতিপ্ৰাপ্ত অধিকাৰসমূহ সম্পূৰ্ণৰূপে উপলব্ধি কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।"

১৩.এই প্ৰসংগত ১১নং অনুচ্ছেদৰ সন্দৰ্ভত চি.ই.দি.এ.ডব্লিউৰ সাধাৰণ পৰামৰ্শসমূহ হ'ল :

"নিযুক্তিত বৈষম্য আৰু সমতা:

২২. কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ দৰে নিৰ্দিষ্ট লিংগ ভিত্তিক হিংসাৰ বলি হ 'লে মহিলাসকলৰ নিয়োগৰ ক্ষেত্ৰত সমতা বজাই ৰখাত যথেষ্ট অসুবিধা হ'ব পাৰে।

২৩. যৌন নিৰ্যাতনৰ ভিতৰত অনাকাংক্ষিত যৌন আচৰণ যেনে শাৰীৰিক সংস্পৰ্শ বা তেনে দিশত আগবাঢ়ি যোৱা, যৌনগন্ধী মন্তব্য, অশ্লীল ছবি দেখুওৱা আৰু কথা বা কাৰ্যৰ দ্বাৰা যৌন তাৰ দাবী জনোৱা আদি দিশক সাঙুৰি লয়। এনে আচৰণ অপমানজনক হ'ব পাৰে আৰু ই স্বাস্থ্য আৰু সুৰক্ষাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব পাৰে; যেতিয়া মহিলাগৰাকীৰ ওচৰত এই কথা বিশ্বাস কৰাৰ বাবে যুক্তিসঙ্গত কাৰণ থাকে যে তেওঁৰ আপত্তিয়ে তেওঁক নিযুক্তি বা পদোন্নতি ৰ লগতে তেওঁৰ চাকৰিৰ সন্দৰ্ভত অসুবিধাত পেলাব , অথবা এনে ঘটনাই এটা কোলাহলপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে, তেতিয়া এই কথাটো বৈষম্যমূলক হৈ পৰে। এই ক্ষেত্ৰত ক্ষতিপূৰণসহ ফলপ্ৰসু অভিযোগ প্ৰক্ৰিয়া আৰু প্ৰতিকাৰ প্ৰদানৰ ব্যৱস্হা কৰিব লাগে।

২৪.ৰাজ্যবোৰে তেওঁলোকৰ প্ৰতিবেদনত যৌন উৎপীড়নৰ বিষয়ে তথ্য , আৰু মহিলাসকলক যৌন নিৰ্যাতন আৰু কৰ্মস্থানত অন্যান্য ধৰণৰ বলপূৰ্বক উৎপীড়নৰ পৰা সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰিব লাগে।"

ভাৰত চৰকাৰে ১৯৯৩ চনৰ ২৫ জুনত কিছু সংৰক্ষণৰ সৈতে ওপৰোক্ত প্ৰস্তাৱটো অনুমোদন জনাইছে যিবোৰ বৰ্তমান ৰ প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ নহয় । বেইজিংত মহিলা সম্পৰ্কীয় চতুৰ্থ বিশ্ব সন্মিলনত, ভাৰত চৰকাৰে মহিলাসকলৰ ওপৰত এক ৰাষ্ট্ৰীয় নীতি প্ৰস্তুত আৰু কাৰ্যকৰী কৰাৰ বাবে এক আনুষ্ঠানিক প্ৰতিশ্ৰুতি ও দিছে যি প্ৰতিটো স্তৰত আৰু প্ৰতিটো খণ্ডত নিৰন্তৰ ভাৱে নিৰ্দেশনা আৰু পদক্ষেপ সমূহৰ বিষয়ে অৱগত কৰিব; মহিলাৰ মানৱ অধিকাৰৰ ৰাজহুৱা ৰক্ষক হিচাপে কাম কৰিবলৈ মহিলা অধিকাৰ আয়োগ গঠন কৰা ; কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত নিৰীক্ষণৰ বাবে এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰণালী গঠনৰ ক্ষেত্ৰতো প্ৰতি শ্ৰুতি প্ৰদান কৰিছে। সেয়েহে,আমাৰ সংবিধানত লিংগ সমতাৰ সাংবিধানিক নিশ্চয়তাৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰাৰ উদ্দেশ্যে ওপৰোক্ত কথাখিনিৰ ওপৰত নিৰ্ভৰ কৰাত আমাৰ কোনো সংকোচ নাই।

১৪.ভাৰতৰ সংবিধানত নিশ্চিত কৰা মৌলিক অধিকাৰৰ অৰ্থ আৰু বিষয়বস্তু যৌন নিৰ্যাতন বা নিৰ্যাতন প্ৰতিৰোধকে ধৰি লিংগ সমতাৰ সকলো দিশকে সামৰি ল 'ব

পৰাকৈ যথেষ্ট। ন্যায়পালিকাৰ স্বাধীনতা আমাৰ সাংবিধানিক আঁচনিৰ এটা অংশ। গাহস্ৰ্য্য আইনৰ অনুপস্থিতিত, আন্তৰ্জাতিক সন্ধি আৰু নীতি-নিয়মসমূহ গ্ৰহণ কৰিব পাৰি যদিহে ইয়াৰ মাজত কোনো অসামঞ্জস্য তা নাথাকে। এতিয়া ন্যায়িক গাঁথনিৰ ই এক গ্ৰহণযোগ্য নিয়ম যে গাহস্ৰ্য্য আইনৰ ব্যাখ্যাৰ বাবে আন্তৰ্জাতিক সন্ধি আৰু নীতি-নিয়মৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব যেতিয়া ইয়াৰ মাজত কোনো অসামঞ্জস্য তা নাথাকে আৰু গাহস্ৰ্য্য আইনখনত এই সম্পৰ্কে উল্লেখ নাথাকে।অনুপ্ৰৱেশ আৰু জাতিগত বিষয়ৰ মন্ত্ৰী বনাম টিঅ'হ ১২৮ এ এল আৰ ৫৩৫ শীৰ্ষক গোচৰত অষ্ট্ৰেলিয়াৰ উচ্চ ন্যায়ালয়ে অষ্ট্ৰেলিয়াৰ সংবিধানত নিৰ্দিষ্ট আইনী ব্যৱস্থাৰ অনুপস্থিতিত তথা অধিকাৰ সৰ্ম্পকীয় বিধেয়কৰ অনুপস্থিতিতো ইয়াৰ পালনৰ "বৈধতাপূৰ্ণ প্ৰত্যাশা" ( legitimate expectation ) ধাৰণাক স্বীকৃতি দিছে।

১৫.নীলাবতী বেহেৰা বনাম উৰিষ্যা চৰকাৰ শীৰ্ষক গোচৰত আইচিচিপিআৰৰ এটা বিধান এই যুক্তি দাঙি ধৰিবলৈ উল্লেখ কৰা হৈছিল যে ক্ষতিপূৰণৰ ক্ষেত্ৰত বলবৎযোগ্য অধিকাৰ নিশ্চিত অধিকাৰ বলবৎ কৰাৰ ধাৰণাটোৰ পৰা পৃথক নহয়', যিহেতু ৩২ নং অনুচ্ছেদৰ অধীনত ক্ষতি পূৰণৰ অধিকাৰ হৈছে ৰাজহুৱা আইনী প্ৰতিকাৰ যিটো ব্যক্তিগত আইনী প্ৰতিকাৰৰ পৰা পৃথক। সেয়েহে,এই আন্তৰ্জাতিক চুক্তি আৰু নীতি-নিয়মসমূহক ভাৰতৰ সংবিধানত স্পষ্টভাৱে নিশ্চিত কৰা মৌলিক অধিকাৰসমূহৰ ব্যাখ্যাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰাৰ কোনো কাৰণ নাই যি সমূহে মানৱ জীৱনৰ সকলো ক্ষেত্ৰতে লিংগ সমতাৰ মৌলিক ধাৰণাটোক সামৰি লৈছে।

১৬.ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি , লিংগ সমতাৰ মৌলিক মানৱ অধিকাৰ আৰু যৌন নিৰ্যাতনৰ বিৰুদ্ধে, বিশেষকৈ কৰ্মস্থলীত যৌন নিৰ্যাতনৰ বিৰুদ্ধে নিশ্চয়তা প্ৰদানৰ বাবে প্ৰয়োজনীয় ফলপ্ৰসূ আইন ৰ অনুপ স্থিতিত, আমি নিৰ্দেশনা আৰু নীতি-নিয়ম নিৰ্ধাৰণ কৰিছো যাতে এই উদ্দেশ্যে কোনো আইন প্ৰণয়ন নোহোৱালৈকে সকলো কৰ্মস্থলীতে বা অন্য প্ৰতিষ্ঠানত যথাযথ ভাৱে পালন কৰে। এই মৌলিক অধিকাৰ প্ৰৱৰ্তনৰ বাবে সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত উপলব্ধ ক্ষমতা প্ৰয়োগ কৰা হয় আৰু ইয়াক সংবিধানৰ ১৪১ নং অনুচ্ছেদৰ অধীনত এই ন্যায়ালয়ে ঘোষণা কৰা আইন হিচাপে গণ্য কৰা হ'ব বুলি গুৰুত্ব প্ৰদান কৰা হয়।

১.১২৮ এ ইউ এছ এল আৰ ৩৫৩

২ (১৯৯৩) ২ এছ চি চি ৭৪৬ ছ ১৯৯৩ এছ চি চি (ক্রিমিনেল)৫২৭

১৭.ইয়াত নির্ধাৰিত নিৰ্দেশনা আৰু নিয়মসমূহ তলত দিয়া ধৰণৰ:-

মানৱ অধিকাৰ সুৰক্ষা আইন , ১৯৯৩ৰ ২(ঘ)নং ধাৰাত থকা 'মানৱ অধিকাৰ'ৰ সংজ্ঞাৰ প্ৰতি লক্ষ্য ৰাখি,

ভাৰতৰ বৰ্তমানৰ দেৱানী আৰু দণ্ডবিধি আইনসমূহে কৰ্মস্থলীত যৌন নিৰ্যাতনৰ পৰা মহিলাসকলক বিশেষ সুৰক্ষাৰ পৰ্যাপ্ত ব্যৱস্থা নকৰা আৰু এনে আইন প্ৰণয়নৰ বাবে যে যথেষ্ট সময়ৰ প্ৰয়োজন সেই কথাটো লক্ষ্য কৰিলে,

কৰ্মস্থলীত নিয়োগকৰ্তাসকলৰ লগতে অন্যান্য দায়িত্বশীল ব্যক্তি বা প্ৰতিষ্ঠানসমূহে মহিলাসকলৰ ওপৰত হোৱা যৌন নিৰ্যাতন প্ৰতিৰোধ কৰিবলৈ কিছুমান নিৰ্দেশনা মানি চলাটো প্ৰয়োজনীয় তথা উপযোগী:

১.কৰ্মস্থান আৰু অন্যান্য প্ৰতিষ্ঠানত নিয়োগকৰ্তা বা অন্যান্য দায়িত্বশীল ব্যক্তিৰ কৰ্তব্য:

কৰ্মস্থলী বা অন্যান্য প্ৰতিষ্ঠানত থকা নিয়োগকৰ্তা বা অন্যান্য দায়িত্বশীল ব্যক্তিৰ কৰ্তব্য হ'ব যৌন নিৰ্যাতন কাৰ্যক প্ৰতিৰোধ বা বাধা দিয়া আৰু এনে কাৰ্যৰ সমাধান বাচি উলিওৱা লগতে সকলো ধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি নিষ্পত্তি বা বিচাৰ পদ্ধতিৰ ব্যৱস্থা কৰা।

২. সংজ্ঞা:

ইয়াৰ বাবে যৌন নিৰ্যাতনৰ ভিতৰত এনে অনাকাংক্ষিত নিৰ্ধাৰিত যৌন আচৰণসমূহ (প্ৰত্যক্ষভাৱে হওক বা অন্তৰ্নিহিত হওক)থাকে যেনে:

ক) শাৰীৰিক সংস্পৰ্শ বা তাতোকৈ অধিক আগুৱাই যোৱা

খ) যৌনতাৰ দাবী বা অনুৰোধ;

গ) যৌনগন্ধী মন্তব্য;

ঘ) অশ্লীল ছবি দেখুওৱা;

ঙ) যৌন সম্পৰ্কীয় আন কোনো অনাকাংক্ষিত শাৰীৰিক , মৌখিক বা অমৌখিক আচৰণ।

য'ত এই কাৰ্যসমূহৰ মাজৰ কোনো এনে পৰিস্থিতি সংঘটিত হয় য 'ত এনে আচৰণৰ বলি হোৱা ভুক্তভোগী মহিলাগৰাকীৰ আশংকা থাকে যে ভুক্তভোগীৰ নিয়োগ বা কামৰ ক্ষেত্ৰত তেওঁৰ দৰমহা, সন্মানীয় বা স্বেচ্ছামূলকভাৱে লোৱা হওক, সেয়া চৰকাৰী, ৰাজহুৱা বা ব্যক্তিগত উদ্যোগতেই হওক , এনে আচৰণ অপমানজনক হ 'ব পাৰে আৰু এনে পৰিস্হিতিয়ে স্বাস্হ্য তথা সুৰক্ষাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব পাৰে। যেতিয়া মহিলাগৰাকীৰ ওচৰত এই কথা বিশ্বাস কৰাৰ বাবে যুক্তিসঙ্গত কাৰণ থাকে যে তেওঁৰ আপত্তিয়ে তেওঁক নিযুক্তি বা পদোন্নতি ৰ লগতে তেওঁৰ চাকৰিৰ সন্দৰ্ভত অসুবিধাত পেলাব, অথবা এনে ঘটনাই এটা কোলাহলপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে, তেতিয়া ই বৈষম্যমূলক হৈ পৰে। যদি ভুক্তভোগীয়ে তেনে আপত্তিসূচক আচৰণত সন্মতি নিদিয়ে বা কোনো আপত্তি উত্থাপন কৰে তেনেহ'লে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব পাৰে।

৩. প্ৰতিৰোধমূলক পদক্ষেপ:

ৰাজহুৱা বা ব্যক্তিগত খণ্ডত সকলো নিয়োগকৰ্তা বা কৰ্মস্থলীৰ দায়িত্বত থকা ব্যক্তিয়ে যৌন নিৰ্যাতন ৰোধৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগে। তেওঁলোকে নিৰপেক্ষভাৱে তলত দিয়া পদক্ষেপসমূহ গ্ৰহণ কৰিব লাগে:

(ক) কৰ্মস্থানৰ বাবে নিৰ্ধাৰিত যৌন উৎপীড়নৰ স্পষ্ট নিষেধাজ্ঞা নিৰ্দিষ্ট উপায়েৰে জাননী জাৰি, প্ৰকাশ আৰু প্ৰচাৰ কৰিব লাগে।

(খ) চৰকাৰ আৰু ৰাজহুৱা খণ্ডৰ সংস্থাবোৰত আচৰণ আৰু অনুশাসন সম্পৰ্কীয় নিয়ম/নিয়মাৱলীত যৌন উৎপীড়ন নিষিদ্ধ কৰা নিয়ম/নিয়মাৱলী অন্তৰ্ভুক্ত থাকিব লাগে আৰু অপৰাধীৰ বিৰুদ্ধে এনে নিয়ম ৰ জৰিয়তে উপযুক্ত জৰিমনা প্ৰদান কৰিব লাগে।

(গ) ব্যক্তিগত নিয়োগকৰ্তা সকলৰ ক্ষেত্ৰত, ঔদ্যোগিক নিযুক্তি (স্থায়ী আদেশ) আইন , ১৯৪৬-ৰ অধীনত স্থায়ী আদেশত ওপৰোক্ত নিষেধাজ্ঞাবোৰ অন্তৰ্ভুক্ত কৰাৰ সন্দৰ্ভত পদক্ষেপ লোৱা উচিত।

(ঘ) কৰ্মস্থানত মহিলাৰ প্ৰতি যাতে কোনো প্ৰতিকূল পৰিৱেশ নাথাকে আৰু কোনো মহিলা কৰ্মচাৰীয়ে তেওঁৰ চাকৰিৰ সন্দৰ্ভত নিজকে বঞ্চিত বুলি ভৱাৰ যুক্তিসঙ্গত কাৰণ যাতে নাথাকে, সেইয়া নিশ্চিত কৰিবলৈ কাম , অৱসৰ, স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ ক্ষেত্ৰত উপযুক্ত পৰিৱেশ প্ৰদান কৰিব লাগে।

৪. ফৌজদাৰী প্ৰক্ৰিয়া:

য'ত এনে আচৰণ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত বা আন যিকোনো আইনৰ অধীনত এক নিৰ্দিষ্ট অপৰাধৰ সমান হয় নিয়োগকৰ্তাই নিৰ্দিষ্ট কৰ্তৃপক্ষৰ ওচৰত অভিযোগ কৰি আইন অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

বিশেষকৈ, এই কথা নিশ্চিত কৰিব লাগে যে যৌন নিৰ্যাতনৰ অভিযোগৰ মোকাবিলা কৰোঁতে ভুক্তভোগী, বা সাক্ষীসকলক যাতে নিৰ্যাতন বা বৈষম্যমূলক ব্যৱহাৰ কৰা নহয়।যৌন নিৰ্যাতনৰ ভুক্তভোগীসকলৰ অপৰাধী ক স্থানান্তৰ বা তেওঁলোকৰ নিজ ৰ বদলি বিচৰাৰ বিকল্প থাকিব লাগে।

৫. অনুশাসনমূলক পদক্ষেপ:

য'ত এনে আচৰণ প্ৰাসঙ্গিক সেৱা নীতিৰ দ্বাৰা কৰ্মক্ষেত্ৰত নিৰ্ধাৰিত ভুল আচৰণৰ সমান হয়, সেই নীতি অনুসৰি নিয়োগকৰ্তাই উপযুক্ত অনুশাসনমূলক ব্যৱস্থা হাতত ল'ব লাগে।

৬. অভিযোগৰ ব্যৱস্থা:

এনে আচৰণ আইনৰ অধীনত অপৰাধ বা সেৱাৰ নীতি উলংঘা কৰা হওক বা নহওক, ভুক্তভোগীয়ে কৰা অভিযোগৰ প্ৰতিকাৰৰ বাবে নিয়োগকৰ্তাৰ প্ৰতিষ্ঠানত এটা উপযুক্ত অভিযোগ ব্যৱস্থা সৃষ্টি কৰিব লাগে। এনে অভিযোগ ব্যৱস্থাই অভিযোগৰ সময়পোযোগী ব্যৱস্হা নিশ্চিত কৰিব লাগে।

৭. অভিযোগ সমিতি:

ওপৰৰ (৬)নং দফাত উল্লেখ কৰা অভিযোগ ব্যৱস্থাটো গোপনীয়তা বজাই ৰখাৰ লগতে প্ৰয়োজন সাপেক্ষে এ খন অভিযোগ দাখিলৰ সমিতি হিচাপে বা বিশেষ পৰামৰ্শদাতা বা অন্যান্য সেৱা প্ৰদান কৰাৰ বাবে সক্ষম হ'ব লাগে।

অভিযোগ সমিতিখন এগৰাকী মহিলাৰ দ্বাৰা পৰিচালিত হ'ব লাগে আৰু ইয়াৰ মহিলা সদস্যৰ সংখ্যা আধাতকৈ কম হ'ব নালাগে। লগতে, উচ্চ পৰ্যায়ৰ পৰা পোৱা চাপ বা প্ৰভাৱৰ সম্ভাৱনা ৰোধ কৰিবলৈ, এনে অভিযোগ সমিতিত তৃতীয় পক্ষ যেনে বেচৰকাৰী সংস্থা বা আন সংস্থা অন্তৰ্ভুক্ত থাকিব লাগে, যি সংস্থা যৌন নিৰ্যাতনৰ বিষয়টোৰ সৈতে পৰিচিত।

অভিযোগ সমিতিয়ে সংশ্লিষ্ট চৰকাৰী বিভাগক অভিযোগ আৰু তেওঁলোকে গ্ৰহণ কৰা ব্যৱস্থাৰ বাৰ্ষিক প্ৰতিবেদন দিব লাগিব। নিয়োগকৰ্তা আৰু দায়িত্বত থকা ব্যক্তি সকলে অভিযোগ সমিতিৰ প্ৰতিবেদনকে ধৰি উক্ত নিৰ্দেশনাসমূহ মানি চলাৰ বিষয়েও চৰকাৰী বিভাগক প্ৰতিবেদন দিব।

৮. কৰ্মচাৰীসকলৰ পদক্ষেপ:

কৰ্মচাৰীসকলক তেওঁলোকৰ সভাত বা আন কোনো উপযুক্ত মঞ্চত যৌন নিৰ্যাতনৰ বিষয়সমূহ উত্থাপন কৰিবলৈ দিয়া উচিত আৰু নিয়োগকৰ্তা-কৰ্মচাৰীৰ সভাত ইয়াৰ ওপৰত সকাৰাত্মকভাৱে আলোচনা কৰা উচিত।

৯. সজাগতাঃ

বিশেষকৈ নিৰ্দেশনাৱলীসমূহ মহিলা কৰ্মচাৰীৰ আগত (আৰু বিষয়টোৰ ওপৰত যদি উপযুক্ত আইন প্ৰণয়ন হয়) উপযুক্ত ধৰণেৰে অৱগত কৰি মহিলা কৰ্মচাৰী সকলৰ মাজত অধিকাৰৰ প্ৰতি সজাগতা সৃষ্টি কৰিব লাগে।

১০. তৃতীয় পক্ষৰ নিৰ্যাতন:

য'ত কোনো তৃতীয় পক্ষ বা বাহিৰৰ ব্যক্তিৰ কোনো কাৰ্য বা ভুলৰ পৰিণতিস্বৰূপে যৌন নিৰ্যাতন সংঘটিত হয়, তেনে ক্ষেত্ৰত নিয়োগকৰ্তা আৰু দায়িত্বত থকা ব্যক্তিয়ে

ভুক্তভোগী ব্যক্তিজনক সহায় আৰু প্ৰতিৰোধমূলক ব্যৱস্থা লাভৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ প্ৰয়োজনীয় আৰু যুক্তিসংগত সকলো পদক্ষেপ গ্ৰহণ কৰিব।

১১.নিৰ্ধাৰিত নিৰ্দেশনাসমূহ যাতে ব্যক্তিগত খণ্ডৰ নিয়োগকৰ্তাসকলেও পালন কৰে ,সেই কথা নিশ্চিত কৰিবলৈ কেন্দ্ৰীয়/ৰাজ্য চৰকাৰসমূহক আইনকে ধৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ কথা বিবেচনা কৰিবলৈ অনুৰোধ কৰা হৈছে।

১২. এই নিৰ্দেশনা ৱলীয়ে মানৱ অধিকাৰ সুৰক্ষা আইন ,১৯৯৩ ৰ অধীনত উপলব্ধ কোনো অধিকাৰক অৱমাননা নকৰে।

১৮.সেই অনুসৰি, আমি নিৰ্দেশ দিওঁ যে কৰ্মৰত মহিলাসকলৰ লিংগ সমতাৰ অধিকাৰ ৰক্ষণাবেক্ষণ আৰু কাৰ্যকৰীকৰণৰ বাবে সকলো কৰ্মক্ষেত্ৰত ওপৰোক্ত নিৰ্দেশনা সমূহ আৰু নিয়মসমূহ কঠোৰভাৱে পালন কৰা হ 'ব। যেতিয়ালৈকে এই ক্ষেত্ৰত উপযুক্ত আইন প্ৰণয়ন নহয় , তেতিয়ালৈকে এই নিৰ্দেশনাসমূহ আইনগতভাৱে বাধ্যতামূলক আৰু বলবৎযোগ্য হ'ব । সেই অনুসৰি, এই লেখ আবেদনসমূহ খাৰিজ কৰা হয়।

----------------------------